"আবে, পবিত্র আহ্ আহ্—তই নহলে আমাৰ 'মেহফিল' নজমে বে।"

পবিত্রই একো উত্তৰ নিদিলে। মুৰৰ মাজৰ পোকটোৱে সেইসময়ত মগজৰ ভিতৰত টিঘিল্ ঘিলাই ফুৰিছিল আৰু অলপ শান্তি বিচাৰি তাৰ মনটো পাগল হৈছিল।

কৈলাশে চকী এখনত ভৰি দুখন তুলি আৰামত বহিছে। পিন্ধনত তাৰ এটা ছোৱালীৰ ছবি আঁকা ফুলচাৰ্ট, ডিজ্ঞিত এখন ৰঙা 'কম্ফৰ্টাৰ' আৰু এটা উজ্জ্বল ৰঙা ৰঙৰ 'বেল্ বটম্' পেণ্ট। ওঁঠ দুটিৰ মাজত হেলনীয়াকৈ ওলমি আছে এটা চিগাৰেট। চিগাৰেটটো নিশ্চয় 'কেপ্ষ্টেন'েই হব কাৰণ কৈলাশ কুমাৰে 'কেপ্ষ্টেন'ৰ বাহিৰে আইন চিগাৰেট নাখায়। কৈলাশেই সাধাৰণতে আবে পাৰ্টিৰ লিডাৰ—মানে সিঁহতৰ ভাষাত 'বচ'। কৈলাশ ধনী ঠিকাদাৰৰ ল'ৰা—সেয়ে তাৰ খোৱা-পিন্ধা, চলন-ফুৰণ আদি সকলো যুগতকৈ এখোপ চৰা, মানে সি ১৯৮০/৯০ চনৰ 'মডেল'।

নছিৰুল একাগ্ৰ মনে টেবুলত তবলা মাৰি 'ৰূপ তেৰা মস্তানা' গোৱাত ব্যস্ত। তাৰ মুখখন বৰ লেহেৰা, কথাই প্ৰতি অশ্লীল শব্দ কয়। মুখখনো বৰ ভয় লগাকৈ কুৎসিত। গোটেই মুখখনতে ক'লা ক'লা, ব্ৰণৰ দাগ, কটা চিন— ওঁঠ দুটা ডাঙৰকৈ কলা দুই এডাল ঠৰঙা ৰঙচুৱা দাড়িৰে মুঠতে সি এটা ভয়লগা মানুহ। নছিৰুলৰ কাজিয়া পেঁচাল কৰাত নাম আছে। কোনো মানুহক চুৰি মৰা তাৰ কাৰণে কোনো কথাই নহয়। কাজিয়া পেঁচাল কৰি নাথাকিলে তাৰ গাটো হেনো ভালে নাথাকে— কিবা জ্বৰ জ্বৰ লাগি থাকে। কিছুদিন কাকো মাৰিবলৈ নাপালে ৰিক্সাৱালা, ঠেলাৱালা আদিকে মাৰি অভ্যাসটো ৰাখে। ৰাতিৰ 'মেহফিল'ত তাৰ 'সুনাম' যথেষ্ট। কাৰণ মদ ভাং তাৰ সমান কোনোৱে হজম কৰিব নোৱাৰে।

বিনয়ে কিবা এখন পেপাৰ চোৱাত মগ্ন। পেপাৰৰ কেৱল সি শেষৰ পৃষ্ঠাহে চায়, কাৰণ তাত খেল-ধূলাৰ বাতৰি থাকে। তাৰ পিছত যদি পেপাৰখনত আৰু কিবা চাবলগীয়া থাকে তেনেহলে সেইটো চিনেমাৰ পৃষ্ঠাটো। কথাই প্ৰতি সি খেলৰ কথা কয়। আৰু কিবা প্ৰদৰ্শনী খেল পাতিলেই যিমানকৈ ভিৰ নহওক কিয় সি খেল চাবই। যোৱাবাৰ প্ৰথম বাৰ্ষিকত ফেল কৰি সি এইবাৰ ৰাতিৰ কলেজত নাম লিখিছে।

আৰু এইফালে সুকুমাৰে দোকানৰ বেৰত আঁৰি থোৱা ছোৱালীৰ ছবিখনলৈ তীক্ষ্ণ দৃষ্টিৰে চাই আছে। ছবিখনত ছোৱালীজনীয়ে নিজৰা এটিৰ পানীত গা ধুই থকা এটা দৃশ্য। দূৰৰ হাবিখনত কেইটামান হাতী। ইমান ডাঙৰ হাতী থকা হাবি এখনত ছোৱালীজনীয়ে কি সাহত অকলে গা ধুবলৈ সোমাইছে পবিত্রই নাজানে। অৱশ্যে ছোৱালীজনীৰ কাষতে, নিজৰাটোৰ পানীত ওপঙি থকাৰ দৰে আছে এমুঠা বিড়ীৰ ছবি। আৰু তলত ডাঙৰ ডাঙৰ আখৰেৰে এই বিড়ি খোৱাৰ পৰা কিমান উপকাৰ হয় তাৰ এটা সংক্ষিপ্ত বিবৰণ। সুকুমাৰে ছোৱালীজনীৰ দৈহিক ৰূপটোকে চাইছে নে 'আৰ্ট' হিচাবে ছবিখনৰ মূল্য নিৰূপণ কৰিব খুঁজিছে সেইটো পবিত্রই ধাৰণা কৰিব পৰা নাই। অৱশ্যে সুকুমাৰৰ বাহিৰে বাকী কেইজনে চালে ছোৱালীজনীৰ দৈহিক ৰূপটোকে চোৱা বুলি সি জানিলেহেতেন, কিন্তু সুকুমাৰৰ ক্ষেত্ৰত কথাটো অলপ বেলেগ ধৰণৰ। কাৰণ সুকুমাৰ ল'ৰাজন অলপ

বেলেগ । ছবি - তবিও আঁকে, গল্পও লিখে হেনো— সেয়ে সিহঁতে তাক শিল্পী বুলি জোকায় । ল'ৰাজন ভালেই আছিল কিন্তু এই "আবে, আমি অসমীয়া" পাৰ্টিত কেনেকৈ সোমাল সেইটো পবিত্ৰই নাজানে । ল'ৰাজন ধুনীয়াও । আৰু পাৰ্টিৰ সভাৰ ভিতৰত তাৰ বয়সেই কম হলেও তাৰ পাৰ্টিত "গেহ্ৰা লাভাৰ" বুলি নাম আছে- মানে সি ছোৱালী পতোৱাত পাৰ্গত ।

ইহঁত কেইটাৰ ভিতৰত নচিৰুল আৰু পবিত্ৰই দুখীয়া ঘৰৰ । বিনয় আৰু সুকুমাৰ কৈলাশৰ সমান ধনী নহলেও পেটে ভাতে খাই থাকিব পৰা ঘৰৰ ।

ইহঁতৰ ভিতৰত পবিত্ৰই উচ্চশিক্ষিত । দুবছৰ হ'ল সি বি, এ. পাচ কৰিবৰ । কিন্তু আজি দুবছৰে লাগিও সি চাকৰি এটাকে যোগাৰ কৰিব পৰা নাই । কত 'ইণ্টাৰ্ভিউ' দিলে, 'ট্ৰেজাৰী চালান' দিওঁতে কত পইচা খৰচ কৰিলে কিন্তু আজিলৈকে চাকৰি এটি যোগাৰ কৰিব নোৱাৰিলে । মাজতে 'প্ৰাইভেট্ টিউচন্' দুটা কৰিছিল । তাৰো এটা গ'ল । মাক-বাপেকে এনে এজন শিক্ষকৰ হাতত ল'ৰা ছোৱালীক এৰি দি সিহঁতৰ মূৰ খাব নোৱাৰে হেনো । যি হাল ল'ৰা ছোৱালীৰ বাপেকে তাক এইষাৰ কথাকৈ কামৰ পৰা খেদিছিল— সেই হাল ল'ৰা ছোৱালীৰ অৱশ্যে মূৰো খাব নোৱাৰা বিধৰেই । ল'ৰাজন সৰু, ফাইভত পঢ়ে, কিন্তু মহাদুষ্ট । চাৰৰ কোলাই বোকাই উঠি নগুৰ-নাকতি কৰি মাৰে ।

আৰু ছোৱালীজনী ?

তাই চেভেনত পঢ়ে কিন্তু তাই আকৌ এখোপ চৰা । পঢ়িব বহিলে যিহে মেল উলিয়াব—কোন কোন ল'ৰাই তাইক স্কুলত যাওঁতে জোকায়, অসৎ ইঙ্গিত দিয়ে. কোন প্ৰাইভেট মাষ্টৰে কোন ছোৱালীক কেনেকৈ মৰম কৰে. যোৱা পৰহি কাৰ লগত কোন পলাই গ'ল, কোন ছোৱালীৰ প্ৰেমপত্ৰ পাই হেড্‌মিস্ট্ৰেচ্ বাইদেৱে কি কৰিলে ইত্যাদি । তাৰ বিৰক্তি লাগে । খং উঠে । কিন্তু টকাৰ দৰকাৰৰ কাৰণে টিউচনটো এৰিব নোৱাৰে । পিচে এৰিব লগা নহলো—এৰুৱাইয়ে দিলে........। এতিয়াওঁ মাজে মাজে তাইক স্কুলত আগোঁতে দেখা পায় । যেনেকৈ একেবাৰে হালি জালি পখিলীজনী হৈ আছে স্কুলতে আছে নে 'ষ্টুডিও'তে যায় ধৰিবই নোৱাৰি .... .... .... .... ।

.... হঠাৎ্তে কিবা এটা চাঁহিৰ শব্দ শুনি তাৰ ভাৱনাৰ যতি পৰিল । বাকীকেইজনে কিবা এটা ৰসাল কথাকৈ হাঁহিছিল । সিহঁতৰ মাজত নানা ধৰণৰ মেল ওলাইছিল । তাৰ ভিতৰত প্ৰধানকৈ আছিল— 'সফৰ'ৰ 'ট্ৰেইলাৰ', কৈলাশহঁতৰ ওচৰত থকা পাঠক চাৰৰ খুলশালীয়েকজনী. নগাওঁত হৈ যোৱা ৰঞ্জী ট্ৰফীৰ খেলৰ কথা আৰু শেষত যোৱা-ৰাতি খোৱা 'ফাটকা'খিনি যে একেবাৰে বেয়া, সিহঁতক যে ঠগালে— সেইবোৰ কথা ।

পবিত্ৰৰ মূৰৰ বিষটো অলপ পাতলিছিল । কিন্তু লাহে লাহে আকৌ মূৰৰ বিষটো সি অনুভৱ কৰিবলৈ ধৰিলে । ক্ৰমান্বয়ে ই বেচি হৈ আহিল শেষত তাৰ এনে লাগিল যেন এই মূৰৰ বিষৰ কেন্দ্ৰ মূৰটোকে বেৰত মাৰি ভাগি দিয়ে... .... ।

যোৱাৰাতিৰ কথাটো তাৰ মনত পৰিছিল, ৰাতি ঘৰ সোমাওঁতে তাৰ প্ৰায় এঘাৰটামানেই হৈছিল । এনেয়েও অৱশ্যে দহটাৰ কমত আজি বহুদিন সি ঘৰ সোমাই পোৱা নাই । ঘৰখনত সোমালেই তাৰ মূৰৰ বিষটো বাঢ়ি হয়, মগজৰ ভিতৰত পোকটোৱে

তাণ্ডৱ নৃত্য কৰিবলৈ আৰম্ভ কৰে আৰু এসময়ত সি ঘৰৰ পৰা ওলাই আহিবলৈ বাধ্য হয়। কিমান ৰাতি যে তাৰ চিন্তাত টোপনি নোহোৱাকৈ পাৰ হৈ গৈছে তাৰ লেখ নাই। তাৰ প্ৰায়ে টোপনি ভাল নহয়। সি জানে অকল তাৰ বুলিয়েই নহয় আজি আটাইবোৰ শিক্ষিত নিবনুৱা যুৱকৰে এই একেই সমস্যা— এটা চাকৰিৰ অভাৱ। এটা ধনী ঘৰৰ নিবনুৱা (?) ল'ৰাতকৈ তাৰ চাকৰি এটাৰ প্ৰয়োজন যে কিমান বেচি সেইটো কোনেও বুজিবৰ ইচ্ছা নকৰে। অথচ চাকৰিৰ ইন্টাৰভিউ বিলাকতো তেওঁলোকেই চাকৰি পায়। কাৰণটো সি আগেয়ে বুজা নাছিল—এতিয়া বুজিছে। তাৰ পিচত কোনো ডাঙৰ মানুহ (?) নাই। তাৰোপৰি তাৰ চাহ তামোল খাবলৈকে দিবৰ পইচাও নাই। ঘৰখনৰ ডাঙৰ ল'ৰা হিচাবে ঘৰখনৰ প্ৰতি— ভায়েক ভনীয়েকৰ প্ৰতি তাৰোতো এটা দায়িত্ব আছে; কিন্তু সি সকলো জানিও সকলো বুজিও ব'হেমিয়ান হৈ ঘূৰি ফুৰিব লগা হৈছে। পোক লগা কুকুৰৰ দৰে ইফালৰ পৰা সিফাললৈ ঘূৰি ফুৰিব ধৰিছে। বাপেকে তাক কিমান কষ্ট কৰি কলেজত পঢ়াইছিল, কিমান কষ্ট স্বীকাৰ কৰি তাক বি, এ পাচ কৰালে সেয়া মাক-বাপেক আৰু তাৰ বাহিৰে কোনেও বুজিব নোৱাৰে।

দুৱাৰখন এনেয়ে বন্ধ কৰি থোৱা আছিল। মাকে ভিতৰত চাকি এগছিৰ পোহৰত কিবা এটা চিলাই কৰিছিল। মাকৰ দেহটোলৈ এবাৰ সি চালে। এটা জৰাজীৰ্ণ দেহ, গাত মঙহ বুলিবলৈ অকনো নাই। এটা নৰকঙ্কালক ফটা চিটা কাপোৰ-কেইখনমান পিন্ধাই দিলে যেনে হব ঠিক সেয়াই তাৰ মাক।

মাকে সি সোমোৱা উমান পায়েই মূৰ তুলি চালে— এযুৰি নিস্তেজ, মৰা মাছৰ দৰে ঘোলা চকু। চকু দুটাৰে অনবৰত পানী পৰি থাকে। কিবা এটা বেমাৰ হৈছে কিন্তু ডাক্তৰক দেখুৱাবলৈ তাৰ কোনো সামৰ্থ্য নাই।

সি সোমোৱা দেখি মাক উঠি ভিতৰলৈ গ'ল। বোধহয় ভাত বাঢ়িবলৈ গৈছে। সৰু ভায়েক ভনীয়েক হাল মাক বহি থকা খাটখনত শুই আছে। ডিচেম্বৰ মাহৰ এই হাড় কঁপোৱা জাৰতো সিহঁতৰ গাত ফটা কম্বল এখনৰ বাহিৰে আন একো নাই। অথচ মাকে সাজোটা জোৰা মাৰি তাক কিবাকৈ লেপ এখন যোগাৰ কৰি দিছে, ভায়েক ভনীয়েক-হঁতে ফটা কাপোৰ পিন্ধিলেও তাক ধাৰ কৰি হলেও টেৰিলিনৰ পেণ্ট কিনিবলৈ পইচা উলিয়াই দিছে।

ভিতৰত বাপেকে কাঁহিছিল। বেমাৰৰ বাহ হৈ যোৱা বাপেকে তাৰ কাৰণে কৰা নাছিল কি? বাপেক স্কুলৰ চাকৰিৰ পৰা অৱসৰ পাবৰ আজি প্ৰায় দুবছৰে হ'ল। এই দুবছৰে টিউচন কৰি, মাৰোৱাৰীৰ গোলাত হিচাব পৰীক্ষকৰ কাম কৰি বাপেকে তাক পোহপাল দিছে আৰু সি এটা উচ্চ শিক্ষিত পচিশ বছৰীয়া কৰ্ম্মঠ ডেকা নিলাজৰ দৰে, বাপেকৰ বোজা হৈ পৰিছে।

কথাখিনি ভাবি তাৰ সেই ভীষণ ঠাণ্ডাতো গৰম লাগিছিল। গাটো ঘামেৰে তিতি গৈছিল। চুলাই খিনিয়ে ৰাগী কৰিছিল।

মাকে ভাত বাঢ়ি তাক মাতিছিলহি। সি সোমোৱাৰ লগে লগে বাপেকে সুধিছিল—

"ডাঙৰ বোপা আহিছে নেকি অ'? কিনো ভাত খাব— একো এটা নাই। একো যোগাৰ কৰিব নোৱাৰো অ' বোপাই বস্তুৰ জুই চাই দাম ....।"

আৰু কিবাকিবি।

তাৰ লাজ লাগিছিল। নিজকে অপৰাধী যেন লাগিছিল।

বাপেক ঘৰটোত থকা সময়খিনি কিবাকিবি কৈ থকাই অভ্যাস। ৰাতি টোপনি নহয়। ওৰে ৰাতি চট্‌ফটাই থাকে। গাটো বিষাই হেনো....।

ভাত কেইটা লাৰি-চাৰি দুগৰাহমান খাই সি বিচনাত পৰিছিলগৈ। ঘৰটো কিঞ্চিৎ ঝিম্‌ঝিম্ কৰি থকাৰ বাহিৰে তেতিয়া তাৰ ৰাগী কমিছিল। গাটো পাতল লাগিছিল। ঘৰখনৰ এই অৱস্থাটো তাৰ দৰে কৰ্ম্মঠ ডেকা এজনে নিৰ্ব্বিকাৰ দৰ্শকৰ দৰে বহি থাকিব লগা হোৱা বাবে তাৰ অসহ্য লাগে। মাজে মাজে আত্মহত্যা কৰাৰ কথাও ভাবে সি। মাক-বাপেকৰ সন্মুখত, সৰু ভায়েক ভনীয়েক কেইটাৰ ওচৰত মুখ দেখুৱাবলৈ তাৰ লাজ লাগে। সেয়ে কিজানি তাৰ এই ব'হেমিয়ান জীৱন ? ....

'কি বে, দাৰ্শনিক হব খুজিছ নেকি বে ?' কৈলাশৰ মাতত তাৰ ভাৱনাৰ যতি পৰিল। সি কিবা এটা কোৱাৰ আগতে পৰিমলক দেখি সিহঁত আটাইকেইটাই একেলগে চিঞৰি উঠিল।

পৰিমল— সিও পবিত্ৰহঁতৰ চুবুৰীতে থাকে। ঘৰত মাক আৰু সৰু ভায়েক দুজন। সিহঁতক পোহপাল দিবলৈকে যে সি কি কৰা নাই। পৰিমলক ইহঁত কেইটাই "মাল্টিপাৰ্পাচ" বুলি মাতে— কাৰণ তাৰ কাম বহুত। ৰাতিপুৱাই সি এখন দৈনিক বাতৰি কাকতৰ 'হ'কাৰ'ৰ কাজ কৰে। আবেলি দুটা টিউচন আৰু আজৰি সময়ত প্ৰেছৰ প্ৰুফৰিডাৰৰ কাম— তাৰ বাহিৰেও আছে বহুত ধৰণৰ কামৰ লগত সম্বন্ধ তাৰ। এনেকৈ সাতোটা জোৰা মাৰি হলেও গুৱাহাটীৰ দৰে ঠাই এখনত এটা পৰিয়ালৰ ভৰণ পোষণ দিছে সি। আৰু এইবাৰ সি প্ৰাইভেটকৈ বি এ. টো'ও দিবলৈ ওলাইছে।

ইহঁত কেইটাই পৰিমলক ঠাট্টা কৰে, সৰু মানুহ বুলি কয়। পবিত্ৰৰ আগত এদিন পৰিমলে দুখ কৰি কৈছিল— "মানুহক ঠাট্টা কৰাটো বহুত সহজ কাম বুজিছ ? সিহঁতে মোক ঠাট্টা কৰে যে পোহপাল দিব নাহে কিয় ? মইতো সিহঁতৰ দৰে লোকৰ ওপৰত জেক শুহি খোৱা 'পেৰাচাইট' নহয় পেটটো লৈ জন্মিছো যেতিয়া কিবা এটা কৰি খাবই লাগিব।

কথাটো সঁচা। পবিত্ৰই সিদিনাও সঁচা বুলি অন্তৰেৰে মানি লৈছিল। কিন্তু....

আজি পৰিমলক দেখি তাৰ কথা এটা মনত পৰিল। নদীৰ পাৰত পৰি থকা মাটি কিনিত সি এখন শাক পাচলিৰ দোকান দিয়াৰ কথা কৈছিল। দুয়ো লগ হৈ দিব। প্ৰথম খৰচটো দৰ্কাৰ হলে পৰিমলেই দিব। মানে তাৰ অলপ জমা টকা আছে মাথো তাক এজন বিশ্বাসী 'পাৰ্টনাৰ' লাগে। কাৰণ সি বেচি সময় বাহিৰতেই থাকে সেয়ে এইবোৰ চোৱাচিতা কৰা এজন মানুহৰ দৰ্কাৰ। পৰিমলক সিদিনা সি একো সমিধান দিব নোৱাৰিলে।

পৰিমল ল'ৰাটো অলপ স্পষ্টবাদী। অপ্ৰিয় হলেও সত্য কথা কবলৈ সি টান নেপায়। সিদিনা পবিত্ৰক সি কৈছিল—

"কথাটো তই ভাবি চা। আৰু তয়ো কাম-কাজ একো এটা নোহোৱাকৈ বেকাৰ হৈ বহি আছ তহঁতৰ দৰে ঘৰ এখনত তোৰ পৰা পোৱা অলপ পইচাও যে কিমান সহায় হব পাৰে সেইটো ভাবি চা। আৰু ইয়াত কাম কৰি তই চাকৰিৰ চেষ্টাও কৰি থাকিব পাৰিবি, পালে গুচি যাবি এই অঘাসুৰ কেইটাৰ লগত পৰি জীৱনটো

কৰ কিয় ?"


পৰিমলে তাক কিবা এটা কৈছিল। সি এই-বোৰ ভাবি থকা বাবে শুশুনিলে। পৰিমলে আকৌ কলে— "কি ভাবি আছ ? মই কোৱা কথাটো কি কৰিলি ?"

পবিত্ৰই একো নামাতিলে। তাৰ ঘৰলৈ মনত পৰিছিল। বেমাৰৰ বাহ হৈ যোৱা বাপেক মাক আৰু জৰাজাৰ্ণ কাপোৰ কেইসাজেৰে ভায়েক ভনী..ক হাললৈ।

সি কিবা এটা কম বুলি ভাবিও একো নকলে। কি কৰ ভাবিয়ে নাপালে। মাত্ৰ চকীখনৰ পৰা উঠি পৰিমলৰ সন্মুখলৈ আহ্বানৰ ভঙ্গীত হাতখন আগবঢ়াই দিলে।

দুয়োখন হাত যেতিয়া একেলগ হ'ল— তাৰ মনটোও বহুখিনি পাতলি গ'ল। বুকুৰ পৰা বোজা এটা আঁতৰি যোৱা যেন লাগিল।

............মগজৰ পোকটোও সেই সময়য়ত কোনোবা ফালে পলাই ফাট মাৰিলে............ ।



# স্মৃতিৰ পৰশত

শ্ৰীজয়ন্ত কুমাৰ কাকতী
তৃতীয় বাৰ্ষিক, বিজ্ঞান ।

ঢং, ঢং, ঢং.... .... ....। এয়া দূৰৈৰ কোনোবা কাৰখানাত বজোৱা কাঁহৰ শব্দ শুনিবলৈ পাইছো মই। এতিয়া ৰাতি বাৰ বাজি গ'ল। মোৰ এতিয়াও টোপনি অহা নাই আৰু মই বিছনাত লেপৰ উম লৈ মোৰ পুৰণি স্মৃতি ৰোমন্থন কৰি আছো। হঠাৎ শীত কালৰ থিক এনেকুৱা সময়ৰ কেইটা-মান দিনৰ কথা মোৰ মনত পৰি গ ল। শ্বিলঙৰ।

.... .... .... .... পুলিচ বজাৰ। ষ্টেট্ ট্ৰেন্স-পোৰ্ট অফিচৰ সমুখত আমি অহা বাচখন ৰৈছিলহি মাথোন, এনেতে-পাচ ছয় জনমান নেপালী মানুহ দৌৰি আহি আমাৰ বস্তু বাহানিবোৰ টনা আঁজোৰা কৰিবলৈ ধৰিলে। মানে সিহঁতে আমাৰ বস্তুবোৰ কঢ়িয়াই নিব— গন্তব্য স্থানলৈ, পইচাৰ বিনিময়ত। সিহঁতৰ এইটোৱে ৰোজগাৰ। মই মোৰ একমাত্ৰ চুট্‌কেচটো হাতত লৈ বাচৰ পৰা নামি পৰিলো। নামিয়েই চকুত পৰিল ট্ৰেন্সপোৰ্ট অফিচৰ বাৰা-ন্দাত থকা এখন সৰু চাহৰ দোকানলৈ। মানে, চকু পৰিছিল দোকানখনৰ মালিক ধুনীয়া খাছীয়া গাভৰুজনীলৈ। পাছতহে সেইখন চাহৰ দোকান বুলি গম পালো। ৰাস্তাত নামিয়েই টেক্সী এখন পাই পোনে পোনে লাবানলৈ বুলি ড্ৰাইভাৰক নিৰ্দ্দেশ দিলো। লাবানত দূৰ-সম্পৰ্কীয় দাদা এজন থাকে। তাতে উঠিম।

পিচদিনা গোটেই দিনটো অফিচৰ কাম কৰি কটালো। ইটো অফিচৰ পৰা সিটো অফিচলৈ ঘূৰোতে সন্ধ্যা হৈ আহিল। পুলিচ বজাৰৰ "হচি" ৰেষ্টুৰেণ্টত একাপ কফি খাই ঘৰলৈ গুচি আহিলো। খুব ভাগৰো লাগিছিল সেয়ে সোনকালে খাই-বৈ শুই পৰিলো।

তৃতীয় দিনা পুৱা নবৌ আৰু সিহঁতৰ ল'ৰা

ছোৱালী হালৰ লগত এঘৰ আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ গ'লো। দুপৰীয়া ভাত-পানী খাই অলপ শুম বুলি ভাবিছো এনেতে নবৌ আহি মই শুই থকা বিছনাখনতে বহিল আৰু কথাকোৱা আৰম্ভ কৰি দিলে— নবৌৱে কলে, "বহুদিন চিনেমা চোৱা নাই নিওঁতাৰ অভাৱত। দাদায়েৰাইতো দিনটো কাম লৈয়ে ব্যস্ত। তুমি আহিছা যেতিয়া ব'লা তোমাৰ লগতে এখন চিনেমা চাই আহোগৈ। এতিয়া এনেয়েহে অ'ছা তাতে সময়ো আছে।"

"সময়ো আছে, মানে", মই সুধিলো।

"মানে, দুটালৈ এতিয়াও বিশ মিনিট বাকী।"

"মই আকৌ এতিয়া অলপ শুম বুলি ভাবিছিলো।"

"নালাগে দিয়া এতিয়া শুবলৈ। তোমালোক আজিকালিৰ ডেকা ল'ৰাবোৰ বৰ এলেহুৱা হৈ গৈছা। ডেকা ল'ৰায়ো দুপৰীয়া শোৱেনে। উঠা, উঠা বুলিছো নহয়, সোনকালে ড্ৰেচ কৰা সময় বেছি নাই", বুলি মোৰ সোঁহাতখনত টানি উঠাই দিলে নবৌৱে চিনেমা দেখুৱাবলৈ নবৌক মই বাধ্য হলো। চিনেমাখন বৰ দুখৰ আছিল। চতুৰ্থ দিনটো মোৰ খুব ভালদৰে পাৰহৈ গ'ল—আলফ্ৰেডৰ সৈতে। আবেলি ৱাৰ্ডলেকলৈ ফুৰিবলৈ গৈছিলো। তাতে অকস্মাত লগ পাই গ'লো আলফ্ৰেডক। এই দেখা প্ৰায় এবছৰৰ মূৰত হৈছিল, দ্বিতীয়বাৰৰ কাৰণে। তাই খুউব আচৰিত হৈছিল মোক লগ পাই। কিন্তু মোৰ আচৰিত হোৱাতকৈ আনন্দহে লাগিছিল বেচি, কাৰণ মই জানিছিলো তাইৰ ঘৰ এই শ্বিলঙতেই আৰু সেয়ে লগ পোৱাৰ এটা আশা ৰাখিছিলোঁ। গোটেই আবেলিটো তাইৰ সৈতে কটলো। পাইন গছৰ তলে তলে, অঁকোৱা-পকোৱা বাটেৰে খোজকাঢ়ি ফুৰোতে ফুৰোতে আমাৰ যথেষ্ট ভাগৰ লাগিছিল।

"এটা কাম কৰিলে কেনেকুৱা হয়?" আলফ্ৰেডে সুধিলে। "কি কাম?"

"আমি এটুকুৰা নিৰ্জ্জন ঠাইত যদি বহো।"

"খুব ভাল হয়" মই কলো, "গোল্ফ ফিল্ডলৈ যাব নেকি?

"নহয়"

"তেন্তে?"

"বিডন ফলচ্লৈ ব'লা" তাই কলে, "এতিয়া প্ৰায় সন্ধ্যা হৈছে তাত মানুহ চাগে নায়েই। মানুহ দুনুহ নোহোৱা অলপ নিৰ্জ্জন ঠাইত তোমাৰ সৈতে কথা বতৰা হবৰ মন গৈছে।"

"থিক আছে, টেক্সীতহে যাব লাগিব?"

"ও, মাত্ৰ এখন।"

বিডন আৰু বিচপ্ শ্বিলঙৰ এটা বিখ্যাত আকৰ্ষণীয় জলপ্ৰপাত। এই জলপ্ৰপাতৰ দুটাৰ বহুতো কাহিনী আছে। ইয়াক বহুতেই "লাভাৰ্চ মিট" বুলিও কয়। এই জলপ্ৰপাতেই বহুতৰ সংসাৰ ভাঙিছে আৰু বহুতৰেই গঢ়িছে। ইয়াৰ কোনো এচটা শিলত বহি হয়তো কোনোৱে চকুলো টুকিছে আৰু কোনোবাই সেই একেচটা শিলতে বহি জীৱনৰ আটাইতকৈ সুখৰ কথা পাতিছে এই ৰহস্যময়ী জলপ্ৰপাতৰ বুকুত ইমান কাহিনী লুকাই আছে যে তাক কৈ শেষ কৰিব নোৱাৰিব কোনোৱেও। পিচত আলফ্ৰেডে কৈছিল এইবোৰ কাহিনী।

টেক্সীৰ পৰা নামি আঁতৰি পৰিছিলো আমি- ড্ৰাইভাৰক ৰবলৈ কৈ।

আমি দুয়ো ওচৰা ওচৰিকৈ কাষ চাপি গ'লো জলপ্ৰপাতৰ ওচৰলৈ। লোৰ ৰেলিংখনৰ কাষত

ৰৈ তললৈ চাই পঠিয়ালো । গা শিয়ৰি উঠা গভীৰ মুহূৰ্ত্তে আঁতৰি পৰিছিলো তাৰ পৰা ।

আলফ্ৰেডে হঠাৎ মোৰ সোঁহাতখন তাইৰ বাওঁ খন হাতেৰে ধৰি ক'লে, "ব'লা সৌ শিলচটাত বহোগৈ।" তাইৰ কোমল হাতৰ পৰশত মই অজানিতে এটা শিহৰণ অনুভৱ কৰিলো— শৰীৰত। মোৰ ভাল লাগিছিল। তাই লাহে লাহে তাইৰ বাওঁহাতৰ দীঘল দীঘল আঙুলিবোৰ মোৰ সোঁহাতৰ আঙুলিৰ ফাকে ফাকে সুমুৱাই দিছিল । আমাৰ হাতৰ তলুৱা দুখন এক হৈ গৈ'ছিল। হাতত ধৰা অৱস্থাতে আমি ওচৰা ওচৰিকৈ বহি পৰিলো ।

"ইমান ভাল লাগিছে এই পৰিবেশটো," তাই সুধিলে, "তোমাৰ ভাল লগা নাই?"

"ভাল লাগিছে," মই কলো।

আলফ্ৰেডে লাহে লাহে তাইৰ মূৰটো মোৰ কোলাত থৈ মোৰ সোঁহাতখন তাইৰ দুয়োখন হাতেৰে বুকুৰ ওপৰত চেপি ধৰি কবলৈ ধৰিলে, "জানা, তোমাক শিলঙত পাই মোৰ যে ইমান ভাল লাগিছে। তোমাক প্ৰথম যেতিয়া লগ পাইছিলো তাতকৈও বেছি ভাল লাগিছে। আৰু তোমাক পাই ক'ত যাম, কি কৰিম এইবোৰ ভাবি ভাবিয়েই ইয়ালৈকে আহিলো —অকলশৰীয়াকৈ কথা পাতিবলৈ। মোৰ নিৰ্জ্জন ঠাই খুব ভাল লাগে। ইমান দিন নিৰ্জ্জন ঠাইবোৰত গল্প, উপন্যাস পঢ়িয়েই কটালো, কিন্তু আজি এই পৰিবেশত তোমাক পাই এনেকুৱা লাগিছে যেন মই এই দিনটোলৈহে ইমানদিনে অপেক্ষা কৰি আছিলো । জানা, মই ভাবিছিলো, তোমাক জীৱনত আৰু কোনোদিনেই লগ নাপাম বুলি। মোক তুমি তোমাৰ এডৰেচটো দিম বুলি কৈছিলা যদিও আমাৰ বিদায়ৰ সময়ত তুমি পাহৰি গৈছিলা। আৰুময়ো পাহৰিছিলো বিদায়ৰ বেদনাত পিচতহে অনুভৱ কৰিছিলো—ইমান ডাঙৰ ভুল এটাৰ কথা।" প্ৰায় একে উশাহঁতে ইমানবোৰ কথা কৈ পেলোৱাত তাই অলপ ভাগৰ অনুভৱ কৰি'ছিল আৰু সেয়ে চকু মুদি মোৰ কোলাতেই অকণমান শুব চেষ্টা ক'ৰিছিল। ঠিক এনেকুৱা এটা সময়ত মই কি কম ভাবি পোৱা নাই আৰু সেয়ে আলফ্ৰেডৰ ধুনীয়া মুখখনলৈ এক দৃষ্টিত চাই থাকিলো .... .... ....

ঢং। দূৰৈৰ কাঁহত বজোৱা শব্দত গম ধৰিব পাৰিলো এতিয়া এক বাজিল বুলি। আৰু মই স্মৃতিৰ পৰশত ডুব গৈ আছো। মোৰ এতিয়াও টোপনি অহা নাই।

.... .... .... আলফ্ৰেড। তাই দেখিবলৈ ধুনীয়া। চালে চাই থাকিবৰ মন যোৱাকৈ দুটি চকু, ধুনীয়া দুটি ওঁঠ আৰু উজ্জ্বল মুখখনেৰে সৈতে আলফ্ৰেড সচাঁকৈয়ে এজনী ধুনীয়া গাভৰু। সুউচ্চ এখন বুকুৰ অধিকাৰিণী আলফ্ৰেড এজনী ধুনীয়া খাচীয়া ছোৱালী।

আলফ্ৰেডক প্ৰথম লগ পাওঁ— বোম্বাইত। সাগৰৰ মাজত। তাইৰ সৈতে তেতিয়া আ'ছিল মাক আৰু দেউতাক। মই অফিচৰ বিশেষ কামত তালৈ গৈছিলো। তেতিয়া মাথোন আমাৰ মিলনৰ প্ৰথম অঙ্কৰ প্ৰথম দৃশ্যটোৰেহে সূচনা হৈছিল। কিন্তু এই চিনাকি- মোৰ আৰু আলফ্ৰেডৰ বৰ বেছি ঘনিষ্ঠ হৈ পৰিছিল যেতিয়া তেওঁলোক মোৰ সৈতে পিচদিনা একেখন ৰেলেৰে গুৱাহাটীলৈ বুলি ফিৰিছিল।

"কি চাই আছা মোৰ মুখৰ পিনে?" আলফ্ৰেডে

চকু মেলি সুধিলে।

"তোমাৰ মুখখন চাইছো" মই কলো, "খুউব ধুনীয়া।"

"কি খুউব ধুনীয়া," তাই আকৌ সুধিলে।

"তুমি"

"সঁচাই কৈছা নে?"

"ও"

আলফ্রেদে লাহে লাহে মোৰ কোলাৰ পৰা উঠি থিয় হৈ কলে, "ব'লা যাও, এক্সাৰ হৈছে।"

পিচদিনাখন পুৱাই আলফ্রেদ কোৱা মতে সিহঁতৰ ঘৰ ওলালো। দেউতাকহঁতৰ সৈতে বেচ কিছু সময় গল্প-আলোচনা কৰাৰ পাচত আহিবলৈ ওলোৱাত দুপৰীয়াৰ সাজ খাই আহিবলৈ অনুৰোধ কৰিলে। কিন্তু নবৌৱে কৈ পঠাইছিল, "সোনকালে আহিবা, একেলগে খাম।" নবৌৰ কথাষাৰ মনত পৰাৰ লগে লগে মৃদু আপত্তি দৰ্শালো আৰু ৰাতিৰ সাজ খাম বুলি প্ৰতিশ্ৰুতি দিয়াতহে আহিবলৈ দিলে।

"তুমি যেনেতেনে আহিবা, মই ৰৈ থাকিম," গেটলৈ আগবঢ়াই দি আলফ্রেদে কলে।

দুপৰীয়াৰ সাজ খাই উঠি নবৌৰ নেৰানেপেৰা অনুৰোধত আকৌ এখন হিন্দি চিনেমা চাব লগীয়াত পৰিলো। প্ৰত্যেকটো কথা-বতৰা আৰু ব্যৱহাৰত মই নবৌৰ অন্তৰখন কেনেকুৱা ধৰিব পাৰিছিলো। নবৌৰ এতিয়াও যৌৱন পাৰ হৈ যোৱা নাই, আৰু অইনে পোৱাৰ দৰে নবৌয়েও এজন ডেকা ল'ৰাৰ সান্নিধ্য ভাল পোৱাটো একো আচৰিত কথা নহয়। চিনেমাখনৰ কোনো এটা উত্তেজনাপূৰ্ণ মুহূৰ্তত নবৌৱে মোৰ হাতত চিকুটি দিয়াত, মোৰ প্ৰতি থকা নবৌৰ দুৰ্বলতাৰ কথা গম ধৰিছিলো। এনেয়েও গাত গা লগাই কথা কোৱা বা হাতত বুকুখন লগাই দি নজনাৰ ভাও ধৰা আদি কামৰ পৰা মই খুব ভালকৈয়ে জানিছিলো নবৌৰ দুৰ্বলতা খিনিৰ কথা।

ঢং. ঢং। এয়া সেই একেখন ঠাইৰ পৰা অহা কাঁহৰ শব্দ শুনিবলৈ পাইছো। এতিয়া দুই বাজিল। মোৰ এতিয়াও টোপনি অহা নাই। মই মোৰ জীৱনত ঘটি যোৱা কিছুমান সঁচা ঘটনাৰ বিষয়ে ভাবি আছো।

.... .... .... গধূলি, থিক দিন আৰু ৰাতিৰ মিলন ক্ষণতে মই আলফ্রেদহঁতৰ ঘৰ প'লো। আলফ্রেদে বাৰান্দাত মোৰ কাৰণেই ৰৈ আছিল আৰু ধুনীয়া এটি হাঁহিৰে আটোম-টোকাৰিকৈ সজাই পোৱা ড্ৰইং ৰুমটোলৈ আগবঢ়াই নিলে। মাক আৰু দেউতাককো তাতেই পালো। এচকল কয়লাৰ টুকুৰাবোৰ চিমনিটোত জ্বলি আছিল। ৰুমটোত সোমায়েই অলপ গৰম অনুভৱ কৰিলো। বাহিৰৰ পৰা অহা কাৰণে মোৰ অলপ জাৰ লাগিছিল আৰু সেয়ে মই চিমনিটোৰ ওচৰত থকা চকিখনতে বহি পৰিলো। আলফ্রেদেও অন্য এখনত বহিলে। আলোচনাৰ মাজতে আলফ্রেদৰ দেউতাকে বোম্বাইৰ পৰা গুৱাহাটীলৈ ৰেলেৰে অহাৰ কথা উলিয়ালে।

"আমি শিলঙৰ মানুহ, সেয়ে ৰেলত উঠাৰ ভাগ্য আমাৰ খুব কমেইহে হয়। গুৱাহাটীলৈ আহিবৰ সময়ত তোমাক লগ নোপোৱা হলে আমাৰ যে কি গতি হলহেঁতেন একমাত্ৰ "গডে"হে জানে," মোৰ পিনে চাই আলফ্রেডৰ দেউতাকে হাঁহি হাঁহি কথাবোৰ কলে।

মই আলফ্রেডৰ চকুলৈ চাই হাঁহিলো মাথোন।

কিছু সময়ৰ পাচত মাকে ৰন্ধাঘৰৰ কিবা কামৰ কথা কৈ আমাৰ মাজৰ পৰা বিদায় ললে। দেউতাকেও কিছু পিছত লাইব্ৰেৰীলৈ বুলি উঠি গ'ল। ৰুমটোত থাকিলো অকল আলফ্ৰেড আৰু মই। তাই চকীখন টানি আনি মোৰ ওচৰতে বহিল আৰু মোৰ সোঁহাতখন তাইৰ কোলালৈ নি কলে, "আজি আৰু তুমি যাব নোৱাৰা, ৰাতিটো ইয়াতেই থাকিব লাগিব।"

"সেইটো কেনেকৈ সম্ভৱ হব পাৰে." লো ডালেৰে কয়লাবোৰ ঠিক কৰি দি মই কলো।

"কিয় সম্ভৱ হব নোৱাৰে ?"

"মানে মই ঘৰত কৈ অহা নাই যে"

"সেইটো কি কথা ? ফোন এবাৰ কৰি দিলেই চোন সকলো লেঠা মৰিল।"

"হয় অৱশ্যে"

"তেনেহলে সঁচাই থাকিবা ? খুব মজা হব জানা ?"

তাই মোৰ হাতৰ আঙুলিবোৰ পিটিকি পিটিকি কলে।

"থাকানা, কি হব থাকিলে ?"

"তেনেহলে সুধিছা কেলই ?"

"বাৰু, মোৰ ভুল হৈছে।"

ঠিক সেই সময়তে দেউতাক সোমাই আহিল আৰু আলফ্ৰেডৰ পিছৰ কথাখিনি শুনি সুধিলে, "কি ভুল হল অ আলফ্ৰেড ?

আলফ্ৰেডে তৎক্ষণাৎ কথাটো ঘূৰাই কলে, "নহয়, মানে মই কৈছিলো ভাত খাই উঠি গল্প কৰোতে কৰোতে ৰাতি বহুত হব পাৰে, সেয়ে আজি ৰাতিটো তেওঁ ইয়াতে থাকক। ঘৰত এটা ফোন কৰি দিলেই হল।" "অ ঠিক কথাই কৈছ তই." দেউতাকে মোৰ উদ্দেশ্য কলে," ফোনটো কৰি দিয়া তেনেহলে।"

"ও কৰো," মই লাহেকৈ কৈ থলো।

ভাত পৰ্ব্ব আৰু গল্প পৰ্ব শেষ হোৱাৰ পাচত মই চিগাৰেট এটা জ্বলাই লৈ মোৰ কাৰণে সজাই দিয়া বিছনাখনত বহিছো, সেই সময়তে আলফ্ৰেডে মোৰ ৰুমত সোমাই আহি, ৰাতি দৰ্কাৰ হলে তাইক মাতিবৰ কাৰণে আৰু ওচৰৰ ৰুমটোতে তাই থাকিব বুলি জনালে। "তোমাৰ মা-দেউতা ক'ত শুৱে." মই এনেয়ে সুধিলো। "ড্ৰইংৰুমৰ সেইফালে." আঙুলিৰে ড্ৰইংৰুমৰ পিনে দেখুৱাই তাই কলে।

"তেন্তে আমাৰ পৰা বহু দূৰৈত কেওঁলোক," বুলি কৈ কেনেকৈ চাই পঠিয়ালো তাইৰ ফালে।

"ও" তাই লাহেকৈ দুষ্ট হাঁহি এটা মাৰি কলে। ইয়াৰ পাচত দুয়ো নিৰৱ। এচুকত চিমনিটো জ্বলি আছে— মিট্ মিট্ শব্দ কৰি। ৰুমটোৰ বতাহ এতিয়া বাহিৰৰ তুলনাত বহু উষ্ণ। মই বিছনাত বহি চিগাৰেটত দীঘল দীঘল টান দি আছো আৰু এহাত আঁতৰত মোৰ পিনে চাই আলফ্ৰেডে মিচিক মিচিক হাঁহি আছে। এনেকুৱা এটা পৰিবেশত মোৰ কি হ'ল মই নিজেই নাজানো। মই পাহৰি গলো, মই কত আছো। মোৰ ভাব হল যেন এই পৃথিৱীত অকল আমি দুয়োহে আছো আৰু আমাৰ বাহিৰে আন কোনো নাই। মই আলফ্ৰেডৰ বাহু এটাত ধৰি ওচৰলৈ টানি আনিলো আৰু মোৰ ওচৰতে বিছনাত বহিবলৈ কলো। তাই একো আপত্তি নকৰি অকল মোৰ চকুৰ পিনে চাই থাকিল। মযো চালো প্ৰথমে চকুলৈ, পাচত ওঠলৈ আৰু তাৰ পচত বুকুলৈ। মই আৰু থিৰেৰে থাকিব নোৱাৰিলো বেড্ চুইচ টো অফ্

কৰি দিলো''''' ..... .....

ঢং, ঢং, ঢং। কাঁহৰ শব্দকেইটা শুনামাত্ৰকে মই আলফে্ৰডৰ সৈতে থকা বিছনাৰ লেপৰ উমৰ পৰা মোৰ কোৱাৰ্টাৰৰ বিছনাৰ লেপৰ উমলৈ ফিৰি আহিলো। আৰু তেতিয়াৰ শিলঙৰ লেপৰ উম আৰু আজিৰ লেপৰ উমৰ বিজুনি এটা কৰিলো— মনতে। এতিয়া তিনি বাজি গ'ল। মোৰ এতিয়াও টোপনি অহা নাই।

হঠাৎ খেয়াল হ'ল— ৰাতিপুৱাই মই এঠাইলৈ যাব লাগিব। লগে লগে টেবুলত থকা পানী গিলাচ শেষ কৰি লেপখন মূৰলৈকে টানি শুই পৰিলো।

# দাড়ি

শ্ৰীশ্ৰীপ্ৰকাশ দাস ।
দ্বিতীয় বাৰ্ষিক, বিজ্ঞান ।

দাড়ি হলেও মস্কিল নহলেও মস্কিল। দাড়ি নোহোৱা মানুহ কুলক্ষণীয়া ; যাত্ৰা নাস্তিক। প্ৰণবৰ ইংৰাজী পৰীক্ষা বেয়া হ'ল কাৰণ সি হেনো পৰীক্ষা দিবলৈ আহোঁতে সেই দাড়ি নোহোৱা নমহৰি ছকতক দেখিলে। তাৰ কাৰণে সি নমহৰি ভকতক এজোটৰি ভাল গালিও দিলে। দাড়ি হলে কি মস্কিল তাক জানেই। সপ্তাহত কমেও দুদিন দাড়ি খুৰাব লাগিল ; সেই অনুপাতে পইচাও। বোলো দোকানত সপ্তাহত একাপ ভালকৈ চাহ খাবলৈ পইচা নাপাওঁ লাগে আকৌ এই চব লেঠা। দাড়ি ৰাখিবওতো নোৱাৰি। দাড়ি চুলি ৰাখিলে বন্ধু-বান্ধবৰ মাজতে আকৌ যিটো'হে গুজব ওলাব।

দাড়ি ৰখা মানেই সাধাৰণতে কিবা প্ৰতিজ্ঞাত ব্ৰতী হোৱা। যেনে ধৰক আপুনি কাৰোবাৰ লগত কাজিয়া কৰিছে যেতিয়ালৈকে তেওঁক মাৰ সোধাব নোৱাৰে তেতিয়ালৈকে দাড়ি ৰাখক বা পৰীক্ষাত প্লাক মাৰিলে পাচ নকৰালৈকে। আকৌ আমাৰ ইস্তাকে দাড়ি ৰাখিছে অনিমাৰ লগত তাৰ প্ৰেম বিট্ৰে হোৱা কাৰণে। কেৰেলাৰ মন্ত্ৰী সভাৰ কংগ্ৰেছ সদস্য শ্ৰীজন জফৰে নাম্বুদিৰিপদৰ মন্ত্ৰী-সভাৰ পতন নঘটালৈ দাড়ি নুখুৰায় বুলি প্ৰতিজ্ঞা কৰি পুৰা ১ বছৰ ৯ মাহৰ মূৰত যেনিবা খুৰালে। চাওঁক দাড়িৰ মহত্ত্ব। একেবাৰে ৰাজনীতি জগততো শিপাইছে। আমেৰিকাৰ ভূতপূৰ্ব প্ৰেচিডেণ্ট আব্ৰাহাম লিঙ্কনৰ দাড়ি ৰখাৰ কাৰণটো আপুনি নিশ্চয় জানে। প্ৰেচিডেণ্ট নিৰ্ব্বাচনী হোৱাৰ কিছুদিন আগতে এজনী ছোৱালীৰ পৰা এখন চিঠি পালে —আপুনি হয়তো 'লাভ লেটাৰ' বুলি ভাবিছে। কিন্তু চিঠিখনত লিখা আছিল যে লিঙ্কনৰ মুখখন বৰ ক্ষীণ, গাল দুখন ভিতৰ সোমোৱা গতিকে দাড়ি ৰাখিলে ভাল দেখা যাব। তাকেলৈ, তিৰোতা-সকলে গিৰিয়েক সকলক জোকাব আৰু তেওঁক ভোট দিবলৈ কব। ছোৱালীজনীৰ প্ৰতিশ্ৰুতি ৰাখিলে তেওঁৰ ঘৰতে থকা আঠোটা ভোট লিঙ্কনক দিয়াব। ছোৱালীৰ প্ৰতি দুৰ্ব্বলতা নাই কাৰ ! বেচেৰা লিঙ্কনেও বোলে ছোৱালীজনীৰ কথামতে দাড়ি ৰাখিছিল আৰু নিৰ্ব্বাচনীতো জিকিছিল। দেখিলে দাড়িৰ জোৰ। দাড়ি ৰাখিলে যদি নিৰ্ব্বাচনত জিকিবই পাৰি তেতিয়া হলে অহা ইলেকচনৰ কাৰণে আমাৰ প্ৰাৰ্থী সকলে এতিয়াৰ

পৰাই দাড়ি ৰাখক। কিন্তু তিৰোতা প্ৰাৰ্থীৰ বেলিকা ?

দাড়ি ৰখাটো এটা ধুনীয়া আৰ্ট। কবি, শিল্পী, দাৰ্শনিক সকলৰ ইউনিফৰ্ম। সাধাৰণতে মুছলমান আৰু পাঞ্জাবী সকলে একোছা সুন্দৰ দাড়ি ৰখা দেখা যায়। যি কোনো মোগল সম্ৰাট এজনৰ মুখ এখন মনত পৰাৰ আগেয়ে একোছা সুন্দৰ দাড়ি মনত ভাহি উঠে। বিধাতাৰ কি সৃষ্টি কব নোৱাৰেঁ, তিৰোতা মানুহৰ দাড়ি নগজে। অৱশ্যে দুই এজনীৰ গজিলেও তাক ৰাতি কোনোৱে নেদেখাকৈ খুৰোৱাত বাহিৰে অইন উপায় নাই। পুৰুষৰ দাড়ি নগজাতো যেনেকৈ অমঙ্গলীয়া তদানুৰূপে তিৰোতা মানুহৰ দাড়ি গজাতো তেনে অমঙ্গলীয়া কথা। তেনে তিৰোতাৰ মুখ দেখিলে জানিব আপোনাৰ যাত্ৰা নাস্তি।

দাড়িক তেনেকৈ ক্লাচিফিকেচন কৰিব নোৱাৰি। কিন্তু এবিধ দাড়ি আছে তাৰ অৱস্থান মাত্ৰ থুতৰীৰ তলত। এনেকুৱা দাড়ি থকা মানুহক সৰ্বসাধাৰণে ছাগল-দড়িয়া নামেৰে বিভূষিত কৰে। তেনেকুৱা দাড়ি থকা মানুহক শুৱনি নেদেখি। কিন্তু আপুনি একোছা সুন্দৰ দাড়ি ৰাখক, চাওঁক আপোনাৰ বন্ধু মহলত দাম। কোনোৱে হয়তো কব "অমুকীক চুমা খাওঁতে বিন্ধিব চাবি।" আপোনাৰ দাড়িকোছাক লৈ প্ৰেমিকাই কিমান কথা কৈছে সেইটো আপুনিহে জানে। কোনোবাক হয়তো কাটি পেলাব কৈছে ; কোনোবাক হয়তো কৈছে— "জানে, আপোনাক দাড়ি ৰাখিলে বৰ ধুনীয়া দেখি।"

চুলিৰ যেনেকৈ ৰাজকুমাৰ, দিলীপ কুমাৰ কাট আছে, দাড়িৰো অইন বিভিন্ন ধৰণৰ কাট আছে। আমাৰ স্বৰ্গগত ৰাষ্ট্ৰপতি ডাঃ জাকিৰ হুছেইনে বোলে ফ্ৰেন্স কাট দিছিল। বহুত ডাঙৰ মানুহেও দাড়ি ৰখা দেখিবলৈ পোৱা যায়। তেখেত সকলে কিবা প্ৰতিজ্ঞাৰ ব্ৰতী হৈ দাড়ি ৰাখে নে ফেচনৰ কাৰণে ৰাখে নাজানোঁ, বোধহয় শেষটোৱে হব। কবিগুৰু ঠাকুৰ আৰু বাবা বিনোৱাৰ কথা মনত পৰাৰ আগেয়ে তেৰাসকলৰ দাড়ি কোছাহে আগতে ভাহি উঠে। অৱশ্যে একোছা সুন্দৰ গোঁফৰ লগতে দাড়িও বহুতৰে কাম্য। দাড়ি-গোঁফ নহলে আপোনাৰ কথাৰ দামো নাই। 'দাড়ি-গোঁফ গজাই নাই, তাৰে আকৌ বৰ বৰ লেকচাৰ।" চাগে বুঢ়াই হওঁক।

দাড়ি ৰাখিলে জানো কম পইছা ৰাহি হয়। সেয়েহে বোধহয় ইংলণ্ডৰ ৰাণী এলিজাবেথৰ সময়ত আৰু ৰুচিয়াৰ পিটাৰ দি গ্ৰেটেও দাড়িত কৰ লগাইছিল। এলিজাবেথৰ সময়ত দাড়ি ৰখা মানুহে ১৫ দিনৰ অন্তৰে অন্তৰে ৩ চি. ৪ পে. কৈ কৰ দিব লাগিছিল। কৰ কাটলৰ দেশ ভাৰতবৰ্ষত দাড়িত কৰ নলগোৱাটো পৃথিবীৰ ভিতৰত এটা আচৰিত কথা।

আপুনি বোধহয় বাবাজী আৰু সেই গামোচা হেৰোৱা মানুহ জনৰ কথা জানে। মানুহ জনৰ গামোচখন হেৰাল ; বেচেৰাই ভাবিলে যে সি দাড়ি নুখুৰাই যিখিনি পইচা ৰাহি হব তাৰে গামোচা এখন কিনিব। লাহে লাহে দাড়িও দীঘল হ'ল পইচাও কিছু ৰাহি হ'ল যদিও গামোচাখন কিনাৰ জোখাৰে যোগাৰ হোৱা নাই। হঠাৎ এনেতে পাওঁক যেনিবা এজন বাবাজী লগ। বাবাজী বুলিলে একোছা দাড়ি। মানুহজনে ভাবিলে বাবাজীৰ নিশ্চয় গামোচাতকৈ দামী বস্তু হেৰাইছে নহলে দাড়ি ইমান দীঘল হব কিয়। সেয়ে বাবাজীক প্ৰশ্ন কৰিলে

"বাবা আপোনাৰ ধুতি হেৰাইছে নেকি ?" বাবাৰ আকৌ ধুতি হেৰাইছে ক'ত ?

আকৌ নতুনকৈ যেনিবা এজন পাঞ্জাবী যাত্রৰ দেশ অসমলৈ আইক। বেচেৰাই বজাৰত কঠাল দেখি লৈ যাওঁক যেনিবা এটা কিনি। কঠালটো কেনেকৈ খাব লাগে নাজানে। সেয়ে তেৰাৰ দাড়ি কোঁছাত এঠা লাগি ধৰিল। যিমানেই পানীৰে নোধোৱে কিয় এঠা বেচিকৈয়েই লাগে। শেষত উপায় নেপাই গোটেই দাড়িখিনি খুৰায় পেলায়। দাড়ি খুৰাই আহোঁতে বেচেৰাই বাটত যিমানে দাড়ি খুৰোৱা মানুহ লগ পাই সকলোকে সোধে— "আপ ভী খায়া হ্যায় ?"

এদিনাখন এজন মানুহে আন এজন মানুহক কলে, "বুজিছে মোৰো আপোনাৰ দৰে একোছা দাড়ি আছিল কিন্তু এদিনাখন যেতিয়া আয়নাত চাই দেখিলোঁ যে মোক কেনেকুৱা দেখা হৈছে, তেতিয়া খুৰাই পেলালোঁ।" আপুনি ডাইন হৈছে নেকি ? ৰব, আনজনে কি কয় শুনক ! "মোৰো এখন আপোনাৰ দৰে মুখ আছিল। যেতিয়া দেখিলো যে মোক কেনেকুৱা দেখি তেতিয়াৰ পৰা দাড়ি ৰাখিবলৈ আৰম্ভ কৰোঁ।" গতিকে দাড়ি ৰাখক— দাড়ি ৰাখক। যদিহে কেতিয়াবা দাড়িৰ ওপৰত কৰ-কাটল লগাই, তেতিয়া হলে নাপিত সকলে যেন চৰকাৰৰ পৰা বৃত্তি এটা লবলৈ নাপাহৰে।

✲

# পাৰ্শ্ব-জ্যোতিঃ

# ক লে জ সপ্তাহ

( বিশেষ সংবাদদাতা )

১। 'কলেজ সপ্তাহৰ' কলেজ পতাকাখনৰ বস্তিগছা ওপৰমূৱা নহৈ তলমূৱাকৈ উত্তোলন কৰা হৈছিল আৰু গধূলি পতাকা নমাই থিকমতে আকৌ উত্তোলন কৰা হৈছিল।

২। সঙ্গীত প্ৰতিযোগিতাত গায়ক ও গায়িকাৰ কণ্ঠস্বৰতকৈ তবলা ও জনতাৰ কণ্ঠস্বৰে বেছি— প্ৰাধান্য লাভ কৰা দেখা গৈছিল।

৩। কলেজ সপ্তাহত লোকগীত আৰু বৰগীতৰ প্ৰতিযোগী সকলক চুৰিয়া পাঞ্জাবী পিন্ধিবলৈ নিৰ্দেশ দিয়া হৈছিল।

৪। নাট্য প্ৰতিযোগিতাৰ কিছুমান নাটকৰ নায়ক নায়িকাৰ কণ্ঠস্বৰ কুলীৰ মাততকৈও সুৱলা আছিল· কিন্তু দৰ্শকে শুনিবলৈ কান থিয় কৰিও বিফল হব লগাত পৰি ল।

৫। মিউজিকেল চেয়াৰ প্ৰতিযোগিতাত এগৰাকী প্ৰতিযোগীয়ে দৌৰি দৌৰি অস্থিৰ হোৱা দেখিবলৈ পোৱাত ইনচাৰ্জে ভয়তে অতিকম সময় দিয়াত দৰ্শক মণ্ডলীৰ মাজত হাঁহিৰ ঢৌ উঠা দেখিবলৈ পোৱা গৈছিল।

৬। খেল প্ৰতিযোগিতাত এজনী ছোৱালী প্ৰতি-যোগীয়ে ফ্ৰক পিন্ধি খেলত অংশ গ্ৰহণ কৰাত পৰিচালকে প্ৰতিযোগীজনী কলেজৰ ছোৱালী হয় নে নহয় বুলি বিপাঙত পৰা দেখা গৈছিল।

৭। কলেজ Union ৰ Executive body ৰ ১০০ মিটাৰ দৌৰত এগৰাকী প্ৰতিযোগীক ৫০ মিটাৰ আগত থোৱা হৈছিল আৰু বাকীবোৰ প্ৰতিযোগীয়ে সেই গৰাকী প্ৰতিযোগীক চেৰ পেলা-বলৈ অশেষ কষ্ট কৰিও বিফল হৈছিল। আৰু কিছুমান প্ৰতিযোগীয়ে দুই তিনি গজ গৈ বাগৰি পৰাত First Aidৰ সহায় লব লগাত পৰিছিল।

৮। ভেশচন প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগী নিৰ্বাচন হোৱাৰ পাছত এগৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিবলৈ অহাত হাঁহিৰ ৰোল উঠিছিল।

৯। ছোৱালীৰ কেৰম প্ৰতিযোগিতাত প্ৰতিযোগীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছিল আৰু সম্পাদিকাই কিছুমান ছোৱালীক জোৰ কৰি প্ৰতি-যোগিতাত অংশ গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল।

১০। কলেজ সপ্তাহৰ ভিতৰুৱা 'ইন্টাৰ কলেজ' তৰ্ক প্ৰতিযোগিতাত এগৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিবলৈ গৈ Mr. Speaker, Sir বুলি কোৱাৰ পাছতেই বাকৰুদ্ধ হোৱা দেখা গৈছিল।

১১। কলেজ সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলৰ মাজত বিভিন্ন দিনত বঁটা বিতৰণ কৰি নতুনত্বক আহ্বান জনোৱা হৈছিল।

# সম্পাদকীয়

* *

সাহিত্য চৰ্চ্চাত ছাত্ৰঃ—"এই মৃন্ময়ী বসুধাত মানৱ জীৱন কেৱল দুবেলা দুমুঠি খাই কটাই দিবলৈ নহয়। তাৰ পৰিবৰ্ত্তে জীৱনৰ এক অৰ্থ উদ্দেশ্য আছে। সাহিত্যিকে সাহিত্যৰ দ্বাৰা ইয়াকে বুজাই দিয়ে যে সংকীৰ্ণ আত্মকেন্দ্ৰিকতাক পৰিহাৰ কৰি মহত্বৰ চিন্তা, মহত্বৰ আদৰ্শত জীৱনক নিয়োজিত কৰা শ্ৰেয়।

পৃথিবীত মানুহ হিচাবে জন্মিলে সকলোৰে হিতসাধন, বিশ্বভাতৃত্বৰ অনুশীলন কৰা যে কৰ্ত্তব্য তাকো সাহিত্যিকে দিগ্ নিৰ্ণয়কাৰী যন্ত্ৰৰ সহায়ৰে আমাক দেখুৱাই দিয়ে। মানৱ জাতিৰ হৰ্ষ-বিষাদ, দুখ-বেদনা, হাস্য-ক্ৰন্দন আদিও বিকাশ লাভ কৰে এই সাহিত্যৰ বুকুতে। গতিকে সাহিত্য আৰু ছাত্ৰ সমাজৰ বিশেষক সমন্বয় থকা অতি আৱশ্যকীয়। ছাত্ৰ সকল হ'ল ভৱিষ্যতৰ দেশৰ আশা ভৰষাৰ স্থল। সেয়েহে ছাত্ৰ অৱস্থাৰ পৰা নানান অসু-বিধাৰ মাজেৰেও সাহিত্য চৰ্চ্চা কৰিবলৈ এটি সময় উলিয়াওৱা অতি বাঞ্ছনীয়। কাৰণ কোনোৱে কব নোৱাৰে যে তেওঁৰ ভৱিষ্যত কি। আমি যদি ইতিহাসৰ পাত লুটিয়াই চাওঁ তেতিয়া দেখিবলৈ পাওঁ যে আমেৰিকাৰ ভাগ্য নিয়ন্ত্ৰতা আব্ৰাহাম লিঙ্কনও আছিল এজন সামান্য খেতিয়কৰ ল'ৰা। শেষত তেওঁৰ সাধনাৰ ফলত আমেৰিকাৰ প্ৰেচিডেণ্ট হৈছিল। সেইবাবে মানুহৰ ছাত্ৰ অৱস্থাটো সাহিত্য চৰ্চ্চাৰ অতি আৱশ্যকীয় সময়। ছাত্ৰ সকলোৱে নানান অসুবিধাৰ মাজেৰেও সাহিত্য চৰ্চ্চা কৰি-বই লাগিব কিয়না আমাৰ বৰ্ত্তমান লেখকৰ সীমাও একেবাৰে সীমিত। সেইবাবে ছাত্ৰ সমাজেও মানুহৰ মনত প্ৰকৃত জীৱনবোধ জগাই তুলিব লাগিব সাহিত্যৰ মাজেৰে। তেতিয়াহে আমাৰ সাহিত্যৰ তথা সমাজৰ উন্নতি হব।

আৰ্য্যবিদ্যাপীঠ কলেজত স্নাতকোত্তৰ শ্ৰেণী :— আৰ্য্যবিদ্যাপীঠ কালেজ অসমৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ কলেজ বুলি কলেও উট্যুক্তি কৰা নহব। এইখন কলেজে অতি কম সময়ৰ ভিতৰতে যি চানেকী দেখুৱাইছে তাৰ তুলনা ভাৰতত্তে অতি বিৰল। অলপতে আৰ্য্যত গণিতৰ স্নাতকোত্তৰ শ্ৰেণী মুকলি কৰা হয়।

আমি দেখিবলৈ পাইছো যে গুৱাহাটী ইউনিভাৰচিটিত সংৰক্ষিত আসন ব্যৱস্থাৰ ফলত বহুতো ছাত্ৰই উপযুক্ত নম্বৰ থকা সত্ত্বেও বিফল মনোৰথ হৈ শিক্ষাৰ নামত ইতি ৰেখা টানিব লগীয়াত পৰিছে। সেয়েহে ভৱিষ্যতত আৰ্য্য-বিদ্যাপী কলেজত বিজ্ঞান আৰু আৰ্টচ্ বিষয়ত আৰু কেইট মান স্নাতকোত্তৰ শ্ৰেণী খোলাত যাতে কোনো ফাল দুৰ্ব্বলতা নেথাকে তাকে আশা কৰিলোঁ।

মধ্যকালীন নিৰ্ব্বাচন :— লোক সভাৰ মধ্যকালী নিৰ্ব্বাচনে ভাৰতৰ ৰাজনীতিত এক অভাৱনীয় পৰি বৰ্ত্তন আনিলে। কিয়নো ১৯৬৭ চনৰ নিৰ্ব্বাচনত কংগ্ৰেছে যি বিপদৰ সম্মুখীন হৈছিল তালৈ লক্ষ ৰাখি বহুতে এইবেলি কংগ্ৰেছত আশা কৰিব

পৰা নাছিল। কিন্তু যেতিয়া মধ্যকালীন নিৰ্ব্বাচনৰ ফলাফল ঘোষণা কৰা হল, তেতিয়া দেখিব-লৈ পোৱা গ'ল যে শাসক কংগ্ৰেছে দুই তৃতীয়াংশ আসন লাভ কৰিলে। ইয়াৰ দ্বাৰা বুজিব পাৰি যে বৰ্ত্তমানৰ ভাৰতৰ নাগৰিক সকলে শান্তি তথা শৃংখলাত থাকিবলৈ ইচ্ছা কৰে। সেয়াহে বৰ্ত্তমান কংগ্ৰেছ চৰকাৰে ৰাইজক কিমান দূৰ সুখ-শান্তি তথা হিত-সাধন কৰিব পাৰে তালৈ সকলোৰে লক্ষ্য।

আজিও মনত পৰে :— যি জনা মুখ্য মন্ত্ৰীয়ে অসমৰ দৰে সঙ্কটপূৰ্ণ ঠাইত তেৰ বছৰ আউল নলগাকৈ শাসন ব্যৱস্থা চলাইছিল সেইজনা মুখ্য মন্ত্ৰীয়ে ২৫।২।৭১ ইং বৃহস্পতিবাৰে পুৱা পাচ বজাত শ্বিলঙৰ বাসভৱনত ইহসংসাৰ ত্যাগ কৰে। তেখেতৰ মৃত্যুত অকল অসম বাসী ম্লান হৈ পৰা নহয়— গোটেই ভাৰতে শোকৰ চাঁ পৰিছিল।

লগতে অসমৰ সুখ্যাতি-সম্পন্ন নটসূৰ্য্য ফণী শৰ্ম্মা আৰু কটন কলেজৰ অধ্যক্ষ প্ৰসন্ন গোস্বামীৰ মৃত্যুও আমাৰ অন্তৰত ৰেখাপাত কৰি থৈ গল। যদিও তেখেত সকল আমাৰ মাজত নাই, তথাপিও তেখেত সকলৰ কাৰ্য্যই আমাৰ মনত আজিও ৰেখাপাত কৰি আছে আৰু ভৱিষ্যতেও থাকিব। তেখেতসকলৰ আত্মাৰ সদ্গতি অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো।

আলোচনীৰ বিষয় দুআৰ :— সকলোৰে মনত লগা আলোচনী এখন যুগুত কৰি উলিওৱাটো কোনো সম্পাদকৰ বাবে সন্তুৰপৰ নহয় ইয়াৰ কাৰণ বহুতো। কলেজৰ আলোচনী হিচাবে যিমান উচ্চ খাপৰ প্ৰৱন্ধ, গল্প, কবিতা আদি পাব লাগিছিল সেই অনুপাতত পোৱা নগ'ল আমাৰ বহুত লিখকে মৌলিক সৃষ্টিৰ পৰা আঁতৰি যোৱা দেখিবলৈ পোৱা গৈছে। ভৱিষ্যতে তেখেত সকলে মৌলিক ৰচনা কৰাতহে প্ৰচেষ্টা কৰা উচিত।

কৃতজ্ঞতা :— "এৰিয়ান" সম্পাদনাৰ কামত ভাৰপ্ৰাপ্ত অধ্যাপকদ্বয়ৰ ওচৰত মই চিৰঋণী। ইয়াৰ বাহিৰেও বিভিন্ন কামত সহায় কৰাৰ বাবে বন্ধু শ্ৰীনৰেন কলিতা, দিলীপ দত্ত, পঙ্কজ গোস্বামী, চন্দ্ৰ দাস, ৰঞ্জন কটকী, চিয়াবুল হক মজুমদাৰ, কমল দাস, বলোৰাম বড়া, শ্ৰীমতী সমীৰণ ডেকা, ভাৰতী দাস, প্ৰবীণ মহন্ত, প্ৰদীপ কলিতা, ভবেন কলিতা, শ্ৰীমতী সৰোজ প্ৰভা চৌধুৰী, ফণী গগৈ, মহম্মদ পিয়াৰ আলী আহম্মদ, মদন মোহন মহন্ত, মহেশ কলিতা আৰু বানেশ্বৰ শৰ্ম্মালৈ মোৰ আন্তৰিক মৰম থাকল। সৰ্ব্বশেষত আৰ্য্যবিদ্যাপীঠ কলেজৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয়ৰ ইতিৰেখা টানিলো।

ইতি—

প্ৰীতি আৰু শুভেচ্ছাৰে—

শ্ৰীসত্যপ্ৰসাদ কলিতা

সম্পাদক, 'এৰিয়ান'।

# The ARYAN

## ARYA VIDYAPEETH COLLEGE

### JOURNAL

ANNUAL PUBLICATION

1970-71

TWELFTH ISSUE

*Profs-in-charge*
Prof. U. Dutta
Prof. S. N. Burman

Editor—
Satya Prasad Kalita

# CONTENTS


1 Trend in Modern English Poetry : 1 *Mohit Mohon Daityari*

2. Hunger : 5 *Sourindra Roy*

3. Centenary Tribute to C. R. Das : 8 *Subrata Chowdhury*

4: Can a Mineral Age be stable : 11 *Rupagosai Sinha*

5, Chemistry of the Genetic Materials : 16 *Prof. D Ghosh*

6. What is Life ? : 22 *Jitu & Putul*

7. The Vain World : 22 *Daniel Shihabul Haque Mazumdar*

8. Secretarial Reports : 23

9. Examination Results



# Trend in Modern English Poetry

Mohit Mohan Daityari,
3rd Yr. Arts.

A particular age has its impact on its literary works. To-day it is the age of Science, we have travelled far away from the times when people who did good deeds on earth were rewarded with immortality on the moon. Now gone are those days. Scientific inventions have a tremendous effect on man. It challenges all the superstitions and unfounded beliefs and gradually predominates over it. It takes nothing to be true until it stands the tests and experiments. Much of the old superstitions or omince of things has vanished due to the researches of science, even though in some cases truth has become stranger than fiction itself.

Much of the post-War poetry is replete with doubt, scepticism, cynicism, disillusionment — the pictures of ugly naked reality of poverty, slums, diseases, death are vivid in modern poetry. There is hardly any romance of love or the romance of the battlefield left in the sonnets of Rupert Brook :—

"All this is end
There are waters blown by changing
winds to laughter
And lit by the rich skies, all day, and
after